**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

——মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাত নিৰ্মাণ হ'বলগীয়া চিকিৎসা মহাবিদ্যালয় আৰু তাপবিদ্যুৎ প্ৰকল্পৰ বাবে আৱণ্টিত ভূমি পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে তেওঁ জিলাখনৰ মৰনৈত থকা মাটিয়া উদ্যোগিক বিকাশ কেন্দ্ৰটোও পৰিদৰ্শন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ পৰা পোনে পোনে হেলিকপ্টাৰেৰে গোৱালপাৰা আগিয়াৰ বালিজানত উপস্থিত হোৱাৰ কথা।

oooooo

অসম সাহিত্য সভাৰ ২০২৫ -২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা সেঁতুবন্ধ কাৰ্যসূচী অহা ১৭, ১৮ আৰু ১৯ মে'ত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰিবলৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সেঁতুবন্ধ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত আৰু অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ সমিতিৰ সৌজন্যত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাত চতুৰ্থ সেঁতুবন্ধ যাত্ৰা আৰম্ভ কৰা হ'ব। এই অনুষ্ঠানত বৰাক উপত্যকাৰ ভাষা সাহিত্য, কৃষ্টি সংস্কৃতিৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত অধ্যয়ন কৰাৰ লগতে বিশিষ্ট নাগৰিক, কবি, সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক কৰ্মী, বুদ্ধিজীৱী আদিৰ সতেও মত বিনিময় কৰা হ'ব। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কসকলে অংশ ল'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। শিলচৰৰ অসম বিশ্ববিদ্যালয় চৌহদত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ বাবে সভাৰ প্ৰধান সম্পাদকৰ নেতৃত্বত এটা দলে ১৯ মে'ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যক সাক্ষাৎ কৰি এই সন্দৰ্ভত আলোচনাত মিলিত হ'ব। বিষয়টো সন্দৰ্ভত সভাই উপাচাৰ্যগৰাকীক এখন পত্ৰ প্ৰদান কৰিব। তদুপৰি বিশ্ববিদ্যালয়খনৰ এটি প্ৰেক্ষাগৃহ ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা আৰু বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবৰ্ষ পালনৰ কাৰ্যসূচীৰ আয়োজন কৰাৰ বাবে সাহিত্য সভাৰ দলটোৱে উপাচাৰ্যগৰাকীক আহ্বান জনাব।

ooooooo

দেশৰ সুৰক্ষাৰ বাবে সেনাসকলে কৰা ত্যাগ আৰু বলিদানৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী অব্যাহত আছে। অসম প্ৰদেশ বিজেপিয়ে এই যাত্ৰাৰ সৈতে সংগতি ৰাখি বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অপাৰেচন সিন্দূৰ তথা ভাৰতবৰ্ষৰ এই গৌৰৱময় ক্ষণ সন্দৰ্ভত এখন প্ৰদৰ্শনীৰ আয়োজন কৰিছে। প্ৰদেশ বিজেপিয়ে কালি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা উলিয়ায়। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, সাংসদ বিজুলী কলিতা মেধিকে ধৰি দলৰ কৰ্মকৰ্তাসকলে হাতে হাতে পতাকা লৈ, বন্দে মাতৰম ধ্বনি দি এই যাত্ৰাত অংশ লয়। ত্ৰিৰংগ যাত্ৰাত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে সেনাই গৌৰৱ আৰু পৰাক্ৰমৰ নিদৰ্শন দাঙি ধৰিছে।

ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচীত ভাৰতীয় সেনাৰ বহুকেইগৰাকী অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়ায়েও অংশগ্ৰহণ কৰে।

০০০০০০০০০

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদৰ দ্বাৰা আয়োজিত ৰবীন্দ্ৰ নৃত্য আৰু ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। ৰাজ্যৰ ২০ টা কেন্দ্ৰৰ পৰা নিৰ্বাচিত হোৱা ৩৬০ গৰাকী অংশগ্ৰহণকাৰীৰ ভিতৰত ৰাজ্যিক পৰ্যায়ৰ চূড়ান্ত প্ৰতিযোগিতাত ২১ গৰাকী অংশগ্ৰহণকাৰীক বিজয়ী ঘোষণা কৰা হয়। প্ৰতিযোগিতাত মুঠ ছহেজাৰ ২৫৩ গৰাকী প্ৰতিযোগীয়ে ভাগ লৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজয়ীসকলক অভিনন্দন জনোৱাৰ লগতে অংশগ্ৰহণকাৰীসকলকো শুভেচ্ছা জনায়।

০০০০০০০০০

ডিমাহাচাও জিলাৰ হাফলঙত গৰ্ভাৱস্থাত লিংগ নিৰ্ধাৰণ আৰু ভ্ৰূণ হত্যা ৰোধৰ বিষয়ে সচেতনতা সৃষ্টিৰ বাবে কালি হাফলংস্থিত অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া কাৰ্যালয়ত পৰামৰ্শদাতা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালকে জিলাখনত আল্‌ট্ৰাচাউণ্ড ক্লিনিকসমূহৰ বৰ্তমানৰ পৰিস্থিতি পৰ্যালোচনা কৰে। বৈঠকত অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াই কয়, যে জিলাখনত ছটা আল্‌ট্ৰাচাউণ্ড কেন্দ্ৰ আছে যদিও জনসংখ্যাৰ চাহিদা পূৰণত এই কেন্দ্ৰকেইটা যথেষ্ট নহয়। বৈঠকত উপস্থিত সকলোকে গৰ্ভাৱস্থাত লিংগ নিৰ্ধাৰণ আৰু ভ্ৰূণহত্যা অপৰাধ সন্দৰ্ভত অৱগত কৰা হয়। এইধৰণৰ পৰীক্ষা কৰা চিকিৎসকে তিনি বছৰলৈকে কঠোৰ কাৰাবাস আৰু ১০ হাজাৰ টকাৰ জৰিমণা ভূগিব পাৰে। তদুপৰি এনে পৰীক্ষা দাবী কৰা পৰিয়ালে ৫ বছৰলৈ কঠোৰ কাৰাবাস আৰু ৫০ হাজাৰ টকাৰ শাস্তি পাব পাৰে বুলিও বৈঠকত সকিয়াই দিয়া হয়।

০০০০০০০

বেংককত অনুষ্ঠিত থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি কেইবাগৰাকীও ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছত মালবিকা বনছোড় থাইলেণ্ডৰ ৰত্‌ছানকো ইণ্টানোনৰ হাতত ১২-২১, ১৬-২১ গেমত পৰাস্ত হয়।

ইপিনে, পুৰুষৰ ছিংগলছত থাৰুণ মন্নেপল্লী, ডেনমাৰ্কৰ এণ্ড্ৰছ এণ্টনছেনৰ সন্মুখীন হ'ব। মন্নেপল্লীয়ে মালেছিয়াৰ জাষ্টিন হোক ২১-১৯, ২১-১৬ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

একেদৰে উন্নতি হুদা থাইলেণ্ডৰ পোৰ্ণপাৱী চোচুৱঙৰ আৰু আকাৰ্শী কাশ্যপ থাইলেণ্ডৰে আন এগৰাকী খেলুৱৈ ছুপনিদা কটেথোঙৰ সন্মুখীন হ'ব।

ইপিনে, মহিলাৰ ডাবলছত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ ছায়াকা হোব্‌ৰা আৰু ৰুই হিৰোকামীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ত্ৰিষা আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৱে মালয়েছিয়াৰ অং শ্বিন য়ী আৰু কাৰমেন টিঙক ২১-১৫, ২১-১৩ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

সমাপ্ত